**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৬ চনৰ ২৯ এপ্ৰিলত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুম্মাৰ খোতবাৰ সাৰাংশ ।**

তাছাহুদ, তাউয, তাছমিয়া আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে- হজৰত মছিহ মাওউদ (আঃ) ৰ দাবী আৰু জমাত প্ৰতিষ্ঠাৰে পৰা আজিলৈকে হজৰত মছিহ মাওউদ (আঃ) আৰু তাৰ মান্যকাৰী সকলক বেলেগ মুছলমান সকলে দোষাৰোপ কৰি আহিছে যে- হজৰত মছিহ মাওউদ (আঃ) য়ে নিজকে নবী দাবী কৰিছে আৰু আমি তেখেতক নবী স্বীকাৰ কৰি খতমে নবুয়তৰ অস্তিত্ব বিণাশ কৰিছো, যিখিনিতে প্ৰকৃত তত্ত্ব হ'ল এয়া যে তেওঁলোক পোনে-পোনে আমাৰ ওপৰত এটা মিছা দোষ জাপি দিবলৈ চেষ্টা কৰিছে। আমি হজৰত মছিহ মাওউদ (আঃ) ৰ শিক্ষা অনুযায়ী আঁহজৰত (ছাঃ) ৰ খতমে নবুয়তৰ ওপৰত সিহঁততকৈ বেছি বিশ্বাসী আৰু আমল কৰোঁতা যিমান খিনি বেলেগ মুছলমান ফিৰকাই বিশ্বাস কৰে অৰ্থাৎ বেলেগ মুছলমান সকলে আঁহজৰত (ছাঃ) ৰ উক্ত মৰ্যদা আমি বুজি পোৱাৰ লাখৰো এভাগ বুজি নাপায়। মুঠতে খতমে নবুয়তৰ ওপৰত ভিত্তি কৰি বেলেগ মুছলমান সকলে সদায় আহমদী সকলৰ বিৰুধীতা কৰি আহিছে। মছজিদ সমুহত বেছি বেছি সমালোচনা হৈ থাকে আনকি সৰু-সৰু ল'ৰা-ছোৱালী বিলাক, যি সকলে ভালকৈ কলিমা পাঠ কৰিব নোৱাৰে, সিহঁতে আহমদী ল'ৰা-ছোৱালীক স্কুলত কয় যে তোমালোকে মুছলমান নহয়। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে মোলৈ লিখিছে যে আমাৰ স্কুলত ছাত্ৰ-ছাত্ৰী সকলে আমাৰ লগত এনেকুৱা ব্যাৱহাৰ কৰে। তেতিয়া মই সিহঁতক উপদেশ দিছো যে- আগতকৈ আৰু বেছি ইছলামৰ বিষয়ে শিক্ষা অৰ্জন কৰা আৰু নিজৰ বন্ধু-বান্ধৱক কোৱা যে আমি মুছলমান আৰু ইছলামৰ শিক্ষাৰ ওপৰত আমল কৰো। আঁহজৰত (ছাঃ) ক খাতামান নাবীঈন হিচাপে মান্য কৰো আৰু তেখেত (ছাঃ) ৰ ভৰিষ্যত বাণী অনুসৰিয়ে আমি আগমনকাৰী মছিহ মাওউদক আঁহজৰত (ছাঃ) ৰ দাস আৰু তলতীয়া নবী হিচাপে মান্য কৰো। সকলো আহমদী ল'ৰা-ছোৱালী, ডেকা, গাভৰুৰ কৰ্ত্তব্য হ'ল ইছলামৰ প্ৰকৃত শিক্ষা সম্পৰ্কে জ্ঞান অৰ্জন কৰা আৰু আজিৰ যুগত হজৰত মছিহ মাওউদ (আঃ) য়ে যি কৈছে তাৰ বিষয়ে জানি লোৱা। আঁহজৰত (ছাঃ) হ'ল শেষ আৰু চৰিয়ত লৈ অনাৰ অন্তিম নবী। যাৰ বাবে কোনো ধৰণৰ নতুন চৰিয়ত লৈ কোনো নবীৰ আগমন নহয়। সেই বাবেই কোৰ'আন কৰিম হ'ল চৰিয়তৰ অন্তিম কিতাপ। এনেদৰে হজৰত মছিহ মাওউদ (আঃ) হ'ল আঁহজৰত (ছাঃ) ৰ দাস হিচাপে অহা এজন পৰাধীন নবী অৰ্থাৎ তেখেত (আঃ) ৰ কাম হ'ল আঁহজৰত (ছাঃ) ৰ চৰিয়তৰ আনুগত্য কৰি উক্ত চৰিয়ত পৃথিৱীত সিঁচৰিত কৰা। সাধাৰণতে আমি দেখিবলৈ পাইছো যে আল্লাহ তায়লা এনেকুৱা পৰিস্থিতিৰ সৃষ্টি কৰে যে যিমানেই বিৰুধীতা বাঢ়ে সেই বিৰুধীতাই মানুহক জমাতৰ ফালে উদ্বুদ্ধ কৰি তোলে। বৰ্তমান বিৰুধীতাৰ বাবে মিডিয়াই জমাতৰ বহুল সম্প্ৰচাৰ কৰিছে যিটো আমি আগত ইমান কম সময়ত কৰিব পৰা নাছিলো। যাৰ ফলত ধৰ্মৰ সৈতে ওতঃপ্ৰোত সম্পৰ্ক নৰখা ব্যাক্তি আৰু ডেকা গাভৰু সকলেও জানিব পাৰিছে যে আমি হজৰত মছিহ মাওউদ (আঃ) ক আঁহজৰত (ছাঃ) ৰ দাসত্বৰ বলত লাভ কৰা বা মৰ্যদা প্ৰাপ্ত হোৱা অৰ্থাৎ নবী বুলি মান্য কৰো। হজৰত মছিহ মাওউদ (আঃ) য়ে কেনেদৰে আঁহজৰত (ছাঃ) ৰ খাতামান নাবীঈন হোৱাৰ প্ৰতিষ্ঠা কৰিছে সেয়া ইয়াত তেখেত (আঃ) ৰ কিছুমান বৰ্ণনাৰ পৰা উল্লেখ কৰিবলৈ গৈ হযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে- হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে- নিশ্চিত ভাবে মনত ৰাখিবা যে- " কোনো মানুহেই মুছলমান হ'ব নোৱাৰে আৰু আঁহজৰত (ছাঃ) ৰ পুৰ্ণ আনুগত্য কাৰীৰ অৰ্ন্তভুক্ত হ'ব নোৱাৰে যিমানলৈ তেওঁ আঁহজৰত (ছাঃ) ক খাতামান নাবীঈন বুলি বিশ্বাস স্থাপন নকৰে "।

তেখেত (আঃ) য়ে কৈছে যে- মোৰ দাবী যাৰ বাবে আল্লাহ তায়লা মোৰ হৃদয়ত আত্মবোধ সঞ্চাৰিত কৰিছে এয়া যে- ৰছুলে কৰিম (ছাঃ) ৰ নবুয়ত সুদৃঢ় ভাবে প্ৰতিষ্ঠিত কৰা হয়, যিটো মানৱ জাতিৰ ভাবে আল্লাহ তায়লা

নিৰ্দ্ধাৰণ কৰিছে। আৰু সকলো মিছা নবুয়তক যেন বাতিল কৰি দিয়া হয়। এই বিষয় বস্তুবোৰ অনুধাৰণ কৰি আমলৰ সৈতে পৰ্য্যালোচনা কৰি চাব লাগিব যে আমি ৰছুলুল্লাহ (ছাঃ) ৰ খাতামান নাবীঈন হোৱাৰ ওপৰত ঈমান ৰাখিছো নে সিহঁতে ৰাখিছে ? হজৰত মছিহ মাওউদ (আঃ) য়ে কয় যে- এয়া অন্যায় আৰু বেয়া কথা যে খতমে নবুয়তৰ মাজেদি আল্লাহ তায়লা মাত্ৰ বিচাৰে যে মুখেৰে খাতামান নাবীঈন মানিলেই হ'ব আৰু যদি কিবা কৰা তেন্তে নিজ ইচ্ছানুযায়ী কৰি থকা আৰু বেলেগ চৰিয়ত বনাই লোৱা। যেনেকৈ হৈছে বোগদাদী নামাজ, মকোছ নামাজ, আদি। এইবোৰ কোৰ'আন মজিদ অথবা আঁহজৰত (ছাঃ) ৰ ছুন্নতৰ দ্বাৰা সাব্যস্ত হয় নে ? এনেদৰে শ্বেখ আব্দুল কাদেৰ জিলানী শ্বিয়ানে আল্লাহ কোৱাটো কোৰ'আন কৰিমৰ কোনো ঠাইত পোৱা যায়নে ? আঁহজৰত (ছাঃ) ৰ বৰ্তমান কালত শ্বেখ আব্দুল কাদেৰ জিলানী (ৰাঃ) ৰ অস্থিত্বই নাছিল, কোনে এনেকুৱা কয়, তাৰ লাজ নালাগে। এয়া ইছলামী চৰিয়তৰ নাম হয় নে ? এতিয়া নিজেই চিন্তা কৰা যে এনেকুৱা কাম আৰু আমল ইছলামৰ আনুগত্যৰ নাম হয় নে ? এনেকুৱা ঈমান ৰাখি আৰু আমল কৰি মোক দোষাৰোপ কৰা যে মই খাতামান নাবীঈনৰ মৰ্যদা বিনষ্ট কৰিছো।

আচল আৰু সত্য কথা হ'ল এইটো যে যদি তোমালোকে নিজৰ মছজিদত বিদাত সোমাবলৈ নিদিলাহেঁতেন আৰু খাতামান নাবীঈন (ছাঃ) ৰ প্ৰকৃত নবুয়তৰ ওপৰত বিশ্বাস স্থাপণ কৰি তেখেত (ছাঃ)ৰ আদৰ্শ আৰু প্ৰতিচ্ছবিক ইমাম বনাই লৈ চলিলাহেঁতেন তেন্তে মোৰ আৱিৰ্ভাৱৰ কি প্ৰয়োজন আছিল ? তোমালোকৰ বিদাত আৰু নতুন নবুয়তে আল্লাহ তায়লাৰ ইচ্ছাক উদগাই দিয়ে যে ৰছুলুল্লাহ (ছাঃ) ৰ চাদৰত এজন ব্যাক্তিক আৱিৰ্ভূত কৰে, যিজনে মিছা নবুয়তৰ ভুতক নিধন কৰে। গতিকে উক্ত কামৰ বাবেই খোদা তায়লা মোক নিৰ্দ্ধাৰিণ কৰি প্ৰেৰণ কৰিছে। আল্লাহ তায়লা এই জমাতক এই কাৰণেই প্ৰতিষ্ঠা কৰিছে যাতে আঁহজৰত (ছাঃ) ৰ নবুয়ত আৰু মৰ্যদা আকৌ দ্বিতীয়বাৰ প্ৰতিষ্ঠিত হয়। যদি দাবী কৰা হয় যে- ৰছুলুল্লাহ (ছাঃ) ৰ প্ৰেমত বিভোৰ তেন্তে আকৌ এইটো কেনেকুৱা কথা যে হাজাৰ খানকা আৰু মাজাৰৰ উপসনা কৰে। মদিনালৈ অৱশ্যে যায়, কিন্তু আজমিৰ আৰু বেলেগ খানকা লৈ নগ্ন মুৰত আৰু নগ্ন ভৰিত গৈ পাক-পটনৰ খিৰকিৰে পাৰ হলেই নিজকে মুক্তি প্ৰাপ্ত বুলি ভাবে। কোনোবাই তাত পতাকা উৰুৱাই ৰাখিছে, কোনোবাই বেলেগ কিবা এটা কৰিছে সেই মেলা চাই সাধাৰণতে প্ৰকৃত মুছলমানৰ হৃদয় কপি উঠিব লাগে যে এই বোৰ কি হৈ আছে ? যদি খোদা তায়লাৰ ইচ্ছা নহলহেতেন আৰু

إِنَّ الدِّينَ عِندَ اللَّهِ الْإِسْلَامُ খোদা তায়লা বাক্য নহলে আৰু এয়া যদি নকলেহেতেন যে

إِنَّا نَحْنُ نَزَّلْنَا الذِّكْرَ وَإِنَّا لَهُ لَحَافِظُونَ তেন্তে আজি ইছলামৰ ধংসত কোনো সন্দেহৰ অৱকাশ নাথাকিলেহেতেন। কিন্তু আল্লাহ তায়লাৰ ইচ্ছা প্ৰকট হৈ উঠে আৰু তাৰ দয়া আৰু প্ৰতিশ্ৰুতি ৰক্ষাৰ আগ্ৰহই ৰছুলুল্লা (ছাঃ) ৰ প্ৰতিবিম্বক অৱতীৰ্ণ কৰে আৰু এই যুগত তেখেত (ছাঃ) ৰ নবুয়তক নতুনত্ত্বৰে জীয়াই তুলি দেখুৱাবলৈ উক্ত ছিলছিলা প্ৰতিষ্ঠা কৰে আৰু মোক প্ৰত্যদিষ্ঠ আৰু মাহদী ৰূপে পঠায়।

হজৰত মছিহ মাওউদ (আঃ) য়ে আৰু কৈছে যে- মোৰ আচল উদ্দেশ্য হ'ল আঁহজৰত (ছাঃ) ৰ মহত্ব প্ৰস্ফুটিত কৰা আৰু তেখেত (ছাঃ) ৰ উচ্চ মৰ্যদা প্ৰতিষ্ঠা কৰা। আঁহজৰত (ছাঃ) ৰ মাজত আনক কল্যাণমণ্ডিত কৰাৰ শক্তি নিহিত আছিল আৰু সেই কল্যাণৰ সৈতে মোৰ বিষয়েও উল্লেখ কৰা হৈছিল।

গতিকে এয়া হ'ল আঁহজৰত (ছাঃ) ৰ কল্যাণ ভাণ্ডাৰ যাৰ পৰা হজৰত মছিহ মাওউদ (আঃ) ক উক্ত স্থান প্ৰদান কৰা হৈছে। আঁহজৰত (ছাঃ) ৰ কল্যাণৰ চাৰি সীমাই হজৰত মছিহ মাওউদ (আঃ) ক আগুৰি ধৰি আছে আৰু এতিয়া আঁহজৰত (ছাঃ) ৰ উল্লেখৰ সৈতে তেখেত (ছাঃ) ৰ সত্য প্ৰেমিকৰও উল্লেখ হৈ গৈছে। তেখেত (আঃ) ৰ আৰ্বিভাৱৰ প্ৰধান উদ্দেশ্য হ'ল পাৰ হৈ যোৱা হাজাৰ বছৰৰ ভিতৰত অন্ধকাৰছন্ন যুগৰ ফলত যি নতুন নতুন বিষয় বিদাত আদিয়ে জন্ম লৈছে সেই বিলাক দুৰীভুত কৰা। তেখেত (আঃ) য়ে আকৌ কৈছে যে খোদা তায়লাৰ ফালৰ পৰা যিজনে আহে তেওঁ কোনোধৰণৰ বেয়া কথা নকয়, তেওঁ এইটোয়ে কয় যে খোদা তায়লাৰ ইবাদত কৰা আৰু সৃষ্ট জীৱৰ পৰা নেকিৰ আদান প্ৰদান কৰা। নামাজ আদায় কৰা আৰু ধৰ্মৰ ভুল ভ্ৰান্তি সমুহ দুৰ কৰা। গতিকে মই অহাৰ

উদ্দেশ্য হ'ল সেই ভুল-ভ্রান্তি সমুহ সংশোধণ কৰা। ইয়াত আটাইতকৈ ডাঙৰ ভুলটো আছে যে খোদা তায়লাৰ আযমত আৰু ঐশ্বৰীক ক্ষমতা মাটিত মিলাই দিয়া হৈছে। এফালে ঈছাই সকলে কয় ঈছা জীৱিত আৰু তোমালোকৰ নবী (ছাঃ) মৃত আৰু ঈছা মছিহক খোদা তায়লাৰ পুত্ৰ সাব্যস্ত কৰিছে। তেওঁ হাজাৰ-হাজাৰ বছৰ ধৰি জীয়াই আছে। আনফালে মুছলমান সকলে বিশ্বাস কৰি লৈছে মছিহ নাছৰি জীৱিত আকাশলৈ আৰোহণ কৰিছে। মই সঁচা কৈছো - মোৰ হৃদয় কপি উঠে যেতিয়া মই এজন মুছলমান মৌলভীৰ মুখত এই কথা শুনিবলৈ পাও। ইয়াতকৈ ডাঙৰ অপমান ইছলামৰ আৰু কি হ'ব পাৰে। এই ভুল একমাত্ৰ মুছলমান সকলৰ যি সকলে কোৰ'আন কৰিমৰ বিৰুদ্ধে এটা নতুন কাহিনীৰ জন্ম দিছে। কোৰ'আন কৰিমত মছিহ নাছৰিৰ মৃত্যু সম্পৰ্কে বিশেষ বিশ্লেষণ উল্লেখ আছে। কিন্তু আচলতে এই ভুলৰ সংশোধনী মোৰ বাবে বৈ আছিল। কাৰণ খোদা তায়লা মোৰ নাম হাকিম ৰাখিছে। মোৰ বাবে কোনো কথাই লুকাই থাকিব নোৱাৰে। কোৰ'আন কৰিম স্পষ্ট সিদ্ধান্ত প্ৰদান কৰিছে যে শেষ খলিফা মছিহ মাওউদেই হ'ব আৰু তেখেত আহি গৈছে। এতিয়াও যদি কোনোৱাই পিৰ ফকিৰ হৈ থাকে তেন্তে তেওঁ কেৱল নিজৰ লোকচান নহয় বৰং তেওঁ ইছলামৰ ক্ষতি সাধন কাৰী ৰূপে গন্য হ'ব। প্ৰকৃততে উক্ত অপবিত্ৰ আৰু ভুল বিশ্বাস লাখ-লাখ মানুহক ধৰ্ম ত্যাগী বনাইছে। উক্ত ভুল ধাৰণাই ইছলামক ডাঙৰ অসন্মান কৰিছে আৰু ৰছুলে পাক (ছাঃ) ৰ অপমান হৈছে। যদি এয়া বিশ্বাস কৰা হয় যে- মৃতক জীৱিত কৰোঁতা, আকাশলৈ আৰোহণ কৰোঁতা, শেষ দিৱসৰ বিচাৰ কৰোতা হ'ল ঈছা মছিহ তেন্তে আমাৰ নবী (ছাঃ) দেখোন একোৱে নহয় বৰং তেখেত (ছাঃ) ক ৰহমাতুল্লিল আলামিন কোৱা হৈছে, তেখেতই খাতামান নাবীঈন। যিসকলে বেৰেৰিবাং কথাৰ ওপৰত বিশ্বাস ৰাখে সেইয়াই সিহঁতৰ ধৰ্ম। কিছুমানে বিশ্বাস কৰে যে সেই সময়ত যিবোৰ চৰাই চিৰিকতি আছিল তাৰে কিছুমান মছিহ নাছৰিৰ আৰু কিছুমান খোদা তায়লাৰ (নাউজুবিল্লাহ) মই এবাৰ এজন বুজুৰ্গক সুধিলো যে যদি এতিয়া দুটা চৰাই একেলগ কৰি কোৱা হয় যে কোনটো মছিহৰ আৰু কোনটো আল্লাহ তায়লাৰ, তেতিয়া তেওঁ উত্তৰ দিয়ে যে সেই বোৰ সংমিশ্ৰণ হৈ গৈছে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে হজৰত মছিহ মাওউদ (আঃ) ৰ এনেকুৱা কিছুমান উক্তি উপস্থাপন কৰিছে যিবোৰ মুল্যায়ণ কৰিলে তেখেতৰ নবী প্ৰেম আৰু আঁহজৰত (ছাঃ) ৰ স্থান আৰু মৰ্যদা লগতে ইছলামি শিক্ষা আৰু তাৰ ওপৰত তেখেত (আঃ) ৰ আমলৰ নজিৰ দেখিবলৈ পোৱা যায়।

এবাৰ আব্দুল হ'ক নামৰ এজন ডেকা যিজনে ঈছাই হৈ গৈছিল তেওঁ প্ৰকৃত হ'ক বিচাৰি কাদিয়ানলৈ আহে আৰু হজৰত মছিহ মাওউদ (আঃ) ৰ সন্নিধানত কিছুদিন থাকে। বিভিন্ন সময়ত তেওঁ ইছলামি মছায়েল সমুহৰ বৰ্ণনা শুনে। এদিন তেওঁ হজৰত মছিহ মাওউদ (আঃ) ক কয় যে এজন ঈছাইৰ সন্মুখত আপোনাৰ নাম উচ্চাৰণ কৰাত তেওঁ গালি দিয়ে। মোৰ বৰ বেয়া লাগিল। তেখেত (আঃ) এয়া শুনি কয় যে গালি দিয়ে  তাঁলৈ মোৰ ভ্ৰূক্ষেপ নাই। বহুত চিঠি পত্ৰ ইস্তেহাৰ আদিত মোক গালি দি থাকে। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে- আজিও সেই একেই অৱস্থা চলি আছে। পাকিস্থানত ডাঙৰ-ডাঙৰ ইস্তেহাৰ লগাই দিয়ে। কিন্তু এইবোৰত বাৰু আমাৰ কি হ'ব ? খোদাৰ জ্যোতি নুমাই নেযায়। নবী আৰু পৱিত্ৰ লোকৰ সৈতে অকৃতজ্ঞ সকলে এনেকুৱা ব্যাৱহাৰেই কৰি থাকে। হজৰত মছিহ মাওউদ (আঃ) য়ে উল্লেখ কৰে যে- আমি যাৰ আদৰ্শ অনুসৰণ কৰো তাৰ আৰু মছিহ নাছৰিৰ কি অৱস্থা হৈছিল। ল'ৰাজন ঈছাই হোৱাৰ বাবে মছিহ নাছৰিৰ উদাহৰণ দিছিল যে তাৰ লগতো এনেকুৱাই হৈছিল আৰু অৱশেষত ক্ৰুচত উঠাইছিল। আমাৰ নবী (ছাঃ) কো আজিলৈকে অপৱিত্ৰ চৰিত্ৰৰ লোক সকলে গালি দিয়ে। মই মানৱ জাতিৰ প্ৰকৃত কল্যাণ কাৰী, যিজনে মোক শত্ৰু বুলি ভাবে তেওঁ নিজে নিজৰ প্ৰাণৰ শত্ৰু। এনেকৈ আব্দুল হ'ক নামৰ ল'ৰাজনৰ সৈতে কেইবাদিনও কথোপ কথন হোৱাৰ পিছত এদিন হজৰত মছিহ মাওউদ (আঃ) য়ে তেওঁক কয় যে- মই আপোনাক বাৰ-বাৰ এয়া কৈছো যে যেতিয়ালৈকে আপুনি কোনো কথা এটা বুজি নাপায় তেতিয়া সেই বিষয়ে বাৰ-বাৰ শুধিব আৰু ভালকৈ বুজি পালে ক'ব যে বুজি পাইছো। তেখেত (আঃ) ৰ এইটোয়ে আছিল ব্যাকুলতা যে যাতে মানুহৰ মাজত প্ৰকৃত হ'ক সঞ্চাৰিত হয় আৰু সেয়া সিহতে গ্ৰহন কৰে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে ৯ জন বেমাৰীৰ আৰোগ্য লাভৰ দোৱা সম্পৰ্কে বৰ্ণনা কৰে। হজৰত মছিহ মাওউদ (আঃ) য়ে দোৱাৰ ক্ষেত্ৰত আজি কালিৰ পীৰ, ফকিৰৰ দৰে গৰ্ব কৰা নাছিল যে মোৰ দোৱা গৃহীত হ'ব বৰং খোদা তায়লাৰ একেশ্বৰবাদ আৰু দোৱা কবুলৰ দৰ্শণ আৰু নিজৰ অৱস্থা খোদা তায়লাৰ ইচ্ছা অনুসৰি নিৰ্মালিৰ দৰে হবলৈ উপদেশ দিছিল। ঘটানাটো আছিল এই যে এবাৰ কোৰেশী চাহাব বেমাৰী অৱস্থাত হজৰত হাকিমুলমতৰ ওচৰত চিকিৎসাৰ বাবে দাৰুল আমানলৈ আহে। তেওঁ কেইবাবাৰ হজৰত হুজ্জতুল্লাহৰ ওচৰত দোৱাৰ বাবে আবেদন কৰে। এদিন তেখেত (আঃ) য়ে তাৰ ঘৰলৈ যায়, তাত তেখেত (আঃ) য়ে কয় যে মই দোৱা কৰিছো। কিন্তু আচল কথা হ'ল নিৰি দোৱায় একো কৰিব নোৱাৰে যেতিয়ালৈকে আল্লাহ তায়লাৰ ইচ্ছাজাগ্ৰত নহয়। খোদা তায়লা কৃপা কৰিলে কোনো কষ্টই নাথাকে। কিন্তু ইয়াৰ বাবে চৰ্ত হ'ল- মানুহ নিজৰ মাজত পৱিত্ৰ পৰিবৰ্ত্তন সাধন কৰিব লাগিব। আকৌ যেতিয়া আল্লাহ তায়লা দেখিবলৈ পায় যে এই ব্যাক্তি জনৰ প্ৰয়োজন আছে তেতিয়া তাৰ জীৱন উন্নত হয় অৰ্থাৎ তাৰ আয়ু বৃদ্ধি পায়।

প্ৰকৃত সত্য হ'ল খোদা তায়লাৰ বিনা হুকুমত যি মানৱৰ মাজত সোমায় সেয়া লাভদায়ক নহয়। তওবা, ইস্তেগফাৰ কৰাৰ অতি প্ৰয়োজন আছে যাতে খোদা তায়লা কৃপা বৰ্ষণ কৰে। যেতিয়া খোদা তায়লাৰ দয়াৰ দ্বাৰা উন্মুক্ত হয় তেতিয়া দোৱা গৃহীত হয়। হজৰত মছিহ মাওউদ (আঃ) য়ে কয় যে মোৰ ধৰ্ম হ'ল যেতিয়ালৈকে শত্ৰুৰ বাবে দোৱা কৰা নহয় তেতিয়ালৈকে হৃদয় পৱিত্ৰ নহয়। **" উদওনী ইয়াছ তাজিব লাকুম "** বাক্যৰে আল্লাহ তায়লা কোনো ধৰণৰ নিষেধৰ সীমা নিৰ্দ্ধাৰণ কৰি দিয়া নাই যে শত্ৰুৰ বাবে দোৱা কৰিলে সেয়া কবুল নহয়। বৰং আমাৰ ধৰ্ম হ'ল শত্ৰুৰ বাবে দোৱা কৰা নবী কৰিম (ছাঃ) ৰ ছুন্নত। হজৰত ওমৰ (ৰাঃ) ইয়াৰ দ্বাৰাই মুছলমান হৈছিল। মোৰ দৃষ্টি গোচৰ নহয় যে এনেকুৱা কোনো শত্ৰু আছে যাৰ বাবে দুই-তিনি বাৰ দোৱা কৰা নাই। হুযুৰ আনোৱাৰ (আঃ) য়ে কয় যে - হজৰত মছিহ মাওউদ (আঃ) য়ে যি প্ৰকৃত ইছলামী শিক্ষা আৰু আঁহজৰত (ছাঃ) ৰ আদৰ্শ আমাৰ আগত দাঙি ধৰিছে তাৰ পৰা প্ৰকাশ পায় যে তেখেত (আঃ) য়ে আঁহজৰত (ছাঃ) ৰ আৰু কোৰ'আনৰ শিক্ষা আখৰে-আখৰে পালন কৰাৰ হ'ক আদায় কৰিছে। খতমে নবুয়ত সম্পৰ্কে মুখেৰে উচ্চাৰণ কৰা নাই বৰং তেখেত (আঃ) ৰ কথা আৰু কামত তাৰ নবী প্ৰেমৰ চানেকী বিদ্ধমান আছিল। আৰু তাৰেই চৰিয়ত প্ৰতিষ্ঠা কৰাৰ বাবে ব্যাকুল আছিল, যাতে মানৱ জাতিয়ে জানিব পাৰে যে- যি মনোৰম শিক্ষা আঁহজৰত (ছাঃ) ৰ ওপৰত নাযিল হৈছে এয়াই মুক্তিৰ একমাত্ৰ বাট। লগতে তেখেত (আঃ) য়ে নিজৰ অনুসৰণ কাৰী সকলক ইয়াৰ ওপৰত আমল কৰিবলৈ উপদেশ আৰু নিৰ্দেশ কৰিছিল।

আল্লাহ তায়লা আমালোকক হজৰত মছিহ মাওউদ (আঃ) ৰ জামাতত অন্তৰ্ভুক্ত হোৱাৰ দায়িত্ব পালনৰ সামৰ্থ দান কৰক। কোৰ'আন আৰু ছুন্নত অনুসৰি আদৰ্শমুলক আমল কৰাৰ তৌফিক দান কৰক। আঁহজৰত (ছাঃ) ৰ প্ৰকৃত স্থান আৰু মৰ্যদা বুজি পোৱাৰ জ্ঞান দান কৰক যাতে আমি ইছলামৰ প্ৰকৃত প্ৰতিচ্ছবি মানৱক দেখুৱাব পাৰো। (আমিন)

**********

**Assamess Khulasa Khutba Jumma Huzoor Anwar 29th April 2016**

**Book Post (Printed Matter)**

To

____________________

____________________

____________________

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV , Bongaigaon Assam 783384. M:-+919864337890**